بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**হজৰত মছীহ্ মাওউদ (আঃ)ৰ গভীৰ তত্ত্ব সম্বলিত বাণীৰ আধাৰত কোৰাণ কৰিমৰ ফজিলত, মান, মৰ্যদা আৰু মহত্ত্বৰ বৰ্ণনা; লগতে বিৰুদ্ধবাদী সকলৰ চয়তানিৰ পৰা নিৰাপদ থকাৰ আৰু বিশ্বৰ সাধাৰণ পৰিস্থিতি আৰু পেলেষ্টাইনৰ মুছলমান সকলৰ বাবে এই ৰমজান মাহত দোৱা কৰাৰ আহ্বান।**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৭ এপ্ৰিল ২০২৩ চনত মছজিদ বায়তুল ফুতুহ লণ্ডন (ইউ,কে)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় আল্লাহ তা'লা আঁহজৰত (ছাঃ)ৰ মাজেদি দ্বীন আৰু এই চৰিয়ত পূৰ্ণ আৰু সম্পূৰ্ণতা প্ৰদান কৰিছে। সেয়ে কোৰাণ কৰিমত ঘোষণা কৰিছে **ওৱাবুদুল্লাহা ওৱা লা তুশ্বৰিকু বিহি শ্বায়য়াও ওৱাবিল ওৱালিদায়নি এহছানাও ওৱা বিজিল কুৰবা ওৱাল ইয়াতিমা ওৱাল মাছাকিনা ওৱাল জাৰি জিলকুৰবা ওৱাল জাৰি জুনুবি ওৱাচ্ছাহিবি বিলজামবি ওৱাবনিচ্ছাবিল,ওৱা মা মালাকাত আয়মানুকুম,ইন্নাল্লাহা লা ইউহিববু মান কানা মুখতালান ফাখুৰা**

অৰ্থাৎ আজিৰ দিনলৈ আহি মই তোমালোকৰ নিমিত্তে তোমালোকৰ দ্বীন সম্পূৰ্ণ কৰি দিলো আৰু তোমালোকৰ ওপৰত মোৰ অনুগ্ৰহৰাজিৰ অনন্ত বাৰিধাৰ সম্পূৰ্ণ কৰিলোঁ আৰু মই ইছলামক তোমালোকৰ বাবে ধৰ্ম হিচাপে মনোনীত কৰিলোঁ। গতিকে এয়া মুছলমান সকলৰ ওপৰত আল্লাহ তা'লাৰ মহান কৃপা যে এওঁলোকৰ নিমিত্তে এটা পৰিপূৰ্ণ চৰিয়ত প্ৰদান কৰিছে। এই দাবীটো একমাত্ৰ ইছলামৰেই আছে, যিটো অইন কোনো ধৰ্মত নাই। মুঠতে দ্বীনে ইছলামেই আল্লাহ তা'লাৰ মনোনীত ধৰ্ম। গতিকে যদি আল্লাহ তা'লাৰ সন্তুষ্টি বিচৰা তেন্তে ইছলাম গ্ৰহণ কৰা অবহিনে আৰু ইয়াৰ শিক্ষাৰ ওপৰত আমল কৰা বিহনে বেলেগ উপায় নাই। আল্লাহ তা'লা এয়া ঘোষণা কৰিছে যে একমাত্ৰ কোৰাণী শিক্ষাই আছে যিটো এতিয়া মানৱ জাতিৰ চাৰিত্ৰিক আৰু আধ্যাত্মিক উন্নতিৰ একমাত্ৰ মাধ্যম, ইয়াৰ লগতে এই শিক্ষা ইমানেই পৰিপূৰ্ণ যে জাগতিক উন্নতিৰ বাবেও এই শিক্ষায় কাৰ্য্যকৰী ভূমিকা পালন কৰে।

গতিকে যিহেতু আল্লাহ তা'লা এই শিক্ষা সম্পৰ্কে আকমালতু শব্দ প্ৰয়োগ কৰিছে, সেয়ে ইয়াৰ গূঢ়াৰ্থ হ'ল মানৱৰ সকলো সক্ষমতা ভালেই সেয়া চাৰিত্ৰিক,ৰূহানি অথবা শাৰীৰিক হওঁক, এইবোৰ কোৰাণী শিক্ষাৰ ওপৰত আমল কৰিলেহে লাভ কৰিব পৰা যাব। আনহাতে আতমামতু শব্দৰ দ্বাৰা ঘোষণা কৰিছে যে যিমানবোৰ প্ৰয়োজনীয়তা

মানৱৰ আছে সেই সকলোবোৰ পূৰ্ণ কৰোঁতা একমাত্ৰ কোৰাণ কৰিমেই আছে, এনেকুৱা কোনো প্ৰয়োজনীয়তা নাই যে সেয়া কোৰাণ কৰিমে সামৰি লোৱা নাই, লাগিলে সেয়া মানৱৰ জাগতিক বাস্তৱ প্ৰয়োজনীয়তা হওঁক নাইবা ৰূহানি চাৰিত্ৰিক মান উন্নতকৰণৰ উপায় বা মাধ্যম হওঁক।

এই আয়াতৰ সৈতে কোৰাণ কৰিমে এয়া ঘোষণা কৰিছে যে এতিয়াৰে পৰা মানৱৰ কল্যাণ কোৰাণী শিক্ষাৰ সৈতে সম্পৰ্কিত আৰু এই শিক্ষা সমস্ত যুগ আৰু গোটেই বিশ্বৰ মানৱৰ নিমিত্তে হয়। কোৰাণ কৰিম নাযিল হোৱাৰ আগতে নাযিল হোৱা সকলো শিক্ষা, যিবোৰ বিভিন্ন আম্বিয়া সকলৰ ওপৰত নাযিল হৈছিল সেইবোৰ আছিল সাময়িক আৰু সেই যুগৰ পৰিস্থিতি অনুযায়ী আছিল।

হজৰত মছীহ মাওউদ (আঃ)য়ে এই সম্পৰ্কে বৰ্ণনা কৰিবলৈ লওঁতে কৈছে যে ইয়াৰ দ্বাৰা এয়া প্ৰমাণিত হয় যে আঁহজৰত (ছাঃ)ৰ আগমনৰ যি উদ্দেশ্য আছিল সেয়া পূৰ্ণ হৈছে আৰু তেখেত (ছাঃ)য়েই সেই পৰিপূৰ্ণ আৰু শেষ নবী যাৰ ওপৰত এই স্বয়ং সম্পূৰ্ণ চৰিয়ত নাযিল হৈছে। সমালোচক সকলে অভিযোগ উত্থাপন কৰে যে যদি এয়াই বিশ্বাস আৰু কোৰাণ কৰিমক শেষ চৰিয়ত আৰু আঁহজৰত (ছাঃ)ক শেষ নবী হিচাপে মানি লৈছে তেন্তে তেখেত (আঃ)ৰ দাবীৰ কি মৰ্যাদা আছে আৰু তেখেত (আঃ)য়ে এই যুগত আবিৰ্ভাৱ হোৱাৰ প্ৰয়োজন কি আছিল ? এনেকুৱা প্ৰশ্নৰ উত্তৰত হজৰত মছীহ মাওউদ (আঃ)য়ে এঠাইত এনেদৰে বৰ্ণনা কৰিছে যে যদি তোমালোকে ইছলামী শিক্ষাৰ ওপৰত আমল কৰিলাহেঁতেন তেন্তে ঠিকেই আছিল, মোৰ অহাৰ কোনো প্ৰয়োজন অৱশ্যই নাছিল কিন্তু যুগৰ পৰিস্থিতি আৰু মুছলমান সকলৰ অৱস্থায় এয়া দেখুৱাই আছে যে কোনো এজন মোৱাল্লিমৰ (শিক্ষকৰ) প্ৰয়োজন পৰিছে।

হজৰত মছীহ মাওউদ (আঃ)য়ে তেখেতৰ ৰচনাৰাজিত, আৰু পুস্তক আদিত লিখিছে যে মই আঁহজৰত (ছাঃ)ৰ গোলাম হিচাপে তেখেত (ছাঃ)ৰ চৰিয়ত আৰু দ্বীন আৰু কোৰাণ কৰিমৰ শিক্ষা প্ৰণালীক জগতত প্ৰচাৰ আৰু প্ৰসাৰ কৰিবলৈ আহিছো। মুঠতে এই কাম খিনিয়ে তেখেত (আঃ)য়ে সম্পাদন কৰি গৈছে আৰু এই কাম ভৱিষ্যতলৈ জাৰি ৰাখিবলৈ জামাত আহমদীয়া প্ৰতিষ্ঠিত হৈছে। এনেকি এই কামেই জামাতে আহমদীয়াই তেখেত (আঃ)য়ে প্ৰদান কৰা সাহিত্য আৰু তেখেত (আঃ)ৰ চৰিত কোৰাণী তফছিৰ অনুযায়ী সম্পাদন কৰি আছে। মুঠতে এই বিষয়ে প্ৰত্যেক আহমদী সদস্যই চিন্তা কৰা উচিত যে আমি আমাৰ এই মহান উদ্দেশ্যক কিমান খিনি পূৰ্ণ কৰিবলৈ চেষ্টা কৰি আছো। সমুহীয়া কাৰ্যসূচীৰ কামবোৰ চলি আছে; কিন্তু এই কাম অকলশৰীয়া ভাৱেও কৰি যোৱা উচিত। গতিকে আমাৰ বয়াতৰ উদ্দেশ্য তেতিয়াহে পূৰ্ণ হ'ব যেতিয়া আমি এই উদ্দেশ্য নিজৰ নিজৰ দৃষ্টিপটত বহাই ল'ম। ইয়াৰ বাবে আমি কোৰাণ কৰিম পঢ়া আৰু বুজাৰ ফালে মনোযোগ দিব লাগিব। এই পন্থা অৱলম্বন কৰিবলৈ উত্তম উপায় হ'ল হজৰত মছীহ মাওউদ (আঃ)ৰ বাণী আৰু ৰচিত পুথি সমূহ অধ্যয়ন কৰা।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে কোৰাণ কৰিমৰ সৌন্দৰ্য্য আৰু গুণাৱলী সম্পৰ্কে কিছুদিন ধৰি হজৰত মছীহ মাওউদ (আঃ)ৰ বাণীৰ আধাৰত বৰ্ণনা কৰি আছো। আজিও কোৰাণ কৰিমৰ পৰিপূৰ্ণতা সম্পৰ্কে হজৰত মছীহ মাওউদ (আঃ)ৰ প্ৰদত্ত শিক্ষাৰ আধাৰত বৰ্ণনা কৰিম।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় বয়াতৰ দহটা চৰ্তৰ মাজত এই বিষয়টোও সন্নিবিষ্ট আছে যে কোৰাণ কৰিমৰ নিৰ্দেশ সম্পূৰ্ণ ৰূপে মূৰ পাতি ল'ম। যদি আমি প্ৰত্যেকেই এই ৰমজান মাহত কোৰাণৰ নিৰ্দেশবোৰ পালন কৰিবলৈ সিদ্ধান্ত লওঁ তেন্তে কেৱল মাত্ৰ নিজৰেই আধ্যাত্মিক উন্নতি নহয় বৰং আমাৰ সমাজখনেও জান্নাত সদৃশ সমাজ হিচাপে গঢ়ি উঠিব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে হজৰত মছীহ মাওউদ (আঃ)ৰ বাণীৰ আধাৰত কয় যে যিমানেই মানৱৰ নৈতিক

চৰিত্ৰৰ পতন ঘটিব পাৰে আৰু যিমানেই পথভ্ৰষ্টতা আৰু বেয়া কামত মানুহে আগবাঢ়ি যাব পাৰে, সেই সকলোবোৰ বেয়াৰ সংশোধন কোৰাণ কৰিমৰ জৰিয়তে সম্পাদন কৰা হৈছে। সেয়ে এনেকুৱা সময়ত সি কোৰাণ কৰিম নাযিল কৰিছে যেতিয়া মানৱ জাতিৰ মাজত সকলো ধৰণৰ পঙ্কিলতায় মূৰ দাঙি উঠিছিল আৰু লাহে লাহে মানৱ প্ৰবৃত্তি অন্ধ বিশ্বাস আৰু বেয়া কাৰ্য্যত লিপ্ত হৈ পৰিছিল। সেয়ে এয়াই হিকমতে ইলাহিৰ সিদ্ধান্ত আছিল যে এনেকুৱা সময়তেই তাৰ কামিল বাণী নাযিল হওঁক। কাৰণ বেয়াৰ উদ্ভৱ হোৱাৰ আগতে তেনে লোক সকলক সেই সমস্ত বীজাণু আৰু অন্ধ বিশ্বাসৰ বিষয়ে খবৰ দিয়া যে যিবোৰৰ বিষয়ে তেওঁলোক অজ্ঞ, তেওঁলোকক নিজৰ নিজৰ গোনাহৰ পৰা হাত সাৰিবলৈ কাম দিয়ে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এজন অভিজ্ঞ পণ্ডিত আৰু এজন সাধাৰণ লোক কেতিয়াও একে নহয়। যিবোৰ বাণী খোদা তা'লাৰ সেয়া মানৱীয় বাণীতকৈ শ্ৰেষ্ঠ হোৱা বাঞ্ছনীয়। আল্লাহ তা'লাৰ জ্ঞান আৰু বাণী কেতিয়া মানুহে কোৱা কথাৰ লগত তুলনা কৰিব নোৱাৰি। গতিকে কোৰাণ কৰিমে সকলো ফালৰ পৰা পৰিপূৰ্ণ হোৱাৰ দাবী কৰে আৰু একোৱে ইয়াৰ তুলনাৰ যোগ্য হোৱা নাই আৰু হ'বও নোৱাৰে। যিয়ে এই পৱিত্ৰ বাণীৰ অনুসাৰী তাৰ মাজতেই ইয়াৰ প্ৰভাৱ আৰু ক্ৰিয়া প্ৰকাশিত হ'ব পাৰে। সেয়ে কোৰাণী শিক্ষাৰ গূঢ়াৰ্থ হ'ল যে ইয়াৰ ওপৰত আমল কৰোতাই অসাধাৰণ বৰকত লাভ কৰোঁতা হয়।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে ফুৰকান মজিদে সহজ সৰল আৰু পৰিপূৰ্ণতাক সত্যতা আৰু প্ৰয়োজনীয়তাৰ প্ৰাৰম্ভিক অৱস্থাতে জনাই দিছে। ধৰ্মীয় সমস্ত সত্যতা নিৰূপন কৰি দেখুৱাইছে। ইয়াৰ মাজত সকলো বিৰুদ্ধবাদীৰ নিমিত্তে সত্য নিচান ভৰি পৰি আছে। যিবোৰ বিষয়ত বিবাদ মতানৈক্যৰ সুংসুত্ৰ দেখিছে তাৰেই সংশোধনৰ ওপৰত জোৰ দিছে। অস্পৃশ্যতা শ্ৰেণী বিভাজন বৰ্জনৰ উপায় লিখিছে। বাতিল ধৰ্ম বিলাকৰ ভুল ধাৰণাবোৰ মচি দিছে। সকলো ধৰণৰ অভিযোগ, সমালোচনাৰ উত্তম লিপিবদ্ধ কৰিছে। কোৰাণ কৰিমত এনে কোনো নাই যে সেয়া বৰ্ণনা কৰিবলৈ বাকী ৰাখিছে। অপ্ৰয়োজনীয় কোনো শব্দ কোৰাণ কৰিমত লিপিবদ্ধ কৰা নাই। কোনো কথা এনেকুৱা নাই যে সেয়া অযথা বৰ্ণনা কৰিছে। কোনো শব্দই ওপৰে ওপৰে চলংপেতীয়াকৈ বৰ্ণনা কৰা নাই। ইয়াৰ পৰিপূৰ্ণতাক শীৰ্ষ বিন্দুলৈ পৌচাই দিছে আৰু ইয়াৰ জ্ঞান আদিৰ পৰা অন্তলৈ থকা মানৱৰ বাবে গ্ৰন্থবদ্ধ কৰিছে। কোৰাণৰ শিক্ষা এনেকুৱা শিক্ষা যাৰ বিশ্লেষণে প্ৰত্যেক যুগ অনুযায়ী জ্ঞান দান কৰে। কোনোবাই এনেকুৱা আৰু গ্ৰন্থ দেখিছে নে যে যিয়ে কেইটামান শব্দৰ মাজেদিয়ে জ্ঞানৰ সমুদ্ৰ বোৱাই দিব পাৰে ? হজৰত মছীহ মাওউদ (আঃ)য়ে সকলো ধৰ্মক চ্যালেঞ্জ কৰিছে যে আহা তোমালোকক মই কোৰাণৰ গুণাৱলী দেখুৱাই দিওঁ। কিন্তু কোনেও এই চ্যালেঞ্জ আজিলৈকে গ্ৰহণ কৰা নাই, বৰঞ্চ ইয়াৰ ওপৰি আহমদী সকলৰ ওপৰত কোৰাণ কৰিমক অপমান কৰাৰ নামত দোষ জাপি দিয়ে। তেখেত (আঃ)য়ে আমাৰ মতে মোমিন হ'ল সেইজন যিজনে কোৰাণ কৰিমৰ পূৰ্ণ আনুগত্যৰ মূৰ পাতিলৈ আমল কৰে।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে মুক্তিপ্ৰাপ্তি সংক্ৰান্তে আল্লাহ তা'লা বাৰে বাৰে বৰ্ণনা কৰিছে যে প্ৰথমে আল্লাহ তা'লাক লাশৰিক (অংশীদাৰ বিহীন) এজন মানি লোৱা আৰু আঁহজৰত (ছাঃ)ক সত্য ৰছুল বুলি বিশ্বাস কৰা। কোৰাণ কৰিমক আল্লাহৰ কিতাপ হিচাপে মানি লোৱা। আকৌ হজৰত মছীহ মাওউদ (আঃ)য়ে কোৰাণী ওহী সম্পৰ্কে কৈছে যে শুনি লোৱা! খোদা তা'লাৰ অভিসম্পাত তাৰেই ওপৰত যিজনে দাবী কৰে যে সি কোৰাণৰ দৰে আন এখন গ্ৰন্থ লৈ আনিব পাৰে। কোৰাণ কৰিম এখন মজিজা স্বৰূপ গ্ৰন্থ। যাৰ অইন এটা উদাহৰণ কোনো মানৱে আনিব নোৱাৰে আৰু ইয়াৰ মাজত সেই তত্ত্ব আৰু গুণাৱলী নিহিত আছে, যিবোৰ মানৱৰ আন বিদ্যাই লিপিত সামৰি ল'ব নোৱাৰে।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যদি মোৰ লগত কোনো নিচান নিদৰ্শন, সহায় আদি নাথাকিলেহঁতেন যদি মই কোৰাণ কৰিমৰ বাট এৰি নতুন বাট উলিয়াই ললোহেঁতেন নাইবা কোনো বিষয় এটা বাদ পেলালোহেঁতেন বা সংযোজন কৰিলোঁ হয় বা ৰছুলুল্লাহ (ছাঃ)ৰ পৰা বেলেগ বাট ধৰিলো হয় তেন্তে লোকে মোৰ ওপৰত অভিযোগ উত্থাপন কৰাটো ঠিক হ'লহেঁতেন যে এই ব্যক্তিজন ৰছুলুল্লাহ (ছাঃ)ৰ শত্রু আৰু কোৰাণ বিৰোধী লোক। মই নে কোৰাণ কৰিমত সলা-সলনি কৰিছোঁ আৰু নে মই এই চৰিয়তৰ কোনো অংশ সলনি কৰিছোঁ, বৰং মই কোৰাণ আৰু কোৰাণৰ আদেশ পালন আৰু আঁহজৰত (ছাঃ)ৰ পৱিত্ৰ ইছলামৰ সেৱা কৰিবলৈহে থিয় হৈছো।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত মছীহ মাওউদ (আঃ)ৰ দাবী যাৰ ওপৰত আমি বিশ্বাস ৰাখো যে তেখেত (আঃ)ৰ জৰিয়তে কোৰাণ কৰিমৰ প্ৰকৃত জ্ঞান আমালৈ আহি পাইছে আৰু তেখেত (আঃ)য়ে আমাক প্ৰকৃত জ্ঞানৰ সন্ধান দিছে। তেওঁলোকে চিন্তা কৰি চোৱা উচিত, যিসকলে জামাতক দোষাৰোপ কৰে। যিসকলে এতিয়াও এইবিলাক কাৰ্য্যৰ পৰা আঁতৰি থকা নাই, আল্লাহ তা'লা তেওঁলোকক শাস্তি অবিহনে এৰি নিদিয়ে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে হজৰত মছীহ মাওউদ (আঃ)ৰ লিখনীৰ পৰা কোৰাণ কৰিমৰ ন্যায় প্ৰতিষ্ঠা সম্পৰ্কে বৰ্ণনা কৰে আৰু কয় যে এই নীতিবোৰেই জগতত শান্তি ৰক্ষাৰ জামিনদাৰ। জাগতিক যুদ্ধ বিগ্ৰহত লিপ্ত সম্প্ৰদায়বোৰে এই নীতিবোৰ অৱলম্বন কৰিলে শান্তি প্ৰতিষ্ঠা হ'ব পাৰে। যদি ন্যায় প্ৰতিষ্ঠা নকৰে তেন্তে ধ্বংস নিশ্চিত।

কোৰাণৰ পৰিপূৰ্ণ শিক্ষা সম্পৰ্কে ঘোষণা কৰি হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে যদি কোনোবাই কোৰাণৰ তুলনা দিব পৰা কোনো সত্যতা, যিটো কোৰাণত নাই দেখুৱাই দিয়ে নাইবা কোনো সত্য বেলেগ গ্ৰন্থত ইয়াতকৈ ভালদৰে বৰ্ণনা থকা বুলি দেখুৱাই দিব পাৰে তেন্তে মই মৃত্যুদণ্ড গ্ৰহণ কৰিবলৈ সাজু আছো।

বৰ্তমানে একমাত্ৰ কোৰাণেই জগতত খোদাৰ বাণী য'ত তৌহিদ আৰু মানে ইলাহি আৰু একত্ব সম্পূৰ্ণ ভাৱে বিৰাজমান আছে আৰু কোৰাণ কৰিমে খোদা তা'লাৰ ওপৰত কোনো দোষ দায় জাপি নিদিয়ে আৰু জোৰপূৰ্বক ভাৱে কোনো শিক্ষা মানি ল'বলৈ বাধ্য নকৰে। আনহাতে লোকৰ কথা আৰু কাৰ্য্যত যিবোৰ পঙ্কিলতা আছে সেইবোৰ দূৰ কৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে দোৱা কৰে যে আল্লাহ তা'লা আমাক কোৰাণ শুদ্ধ ভাৱে পঢ়াৰ আৰু বুজাৰ তৌফিক দান কৰক। লগতে সেয়া আমাৰ জীৱনৰ লগত ক্ৰিয়াশীল হোৱাৰ তৌফিক দান কৰক। ৰমজানৰ পিছতও আমি যেন কোৰাণৰ পৰা কল্যাণ লাভ কৰি থাকো যেনেকৈ ৰমজান মাহত আমি লাভ কৰি থাকো।

খোতবা জুমাৰ শেষত হুজুৰ (আইঃ)য়ে ৰমজান মাহত বেছি বেছি দোৱাৰ ফালে মনোযোগ আকৰ্ষণ কৰি কয় যে জামাতৰ বিৰুদ্ধবাদী সকলৰ অপকৰ্মৰ পৰা চয়তানিৰ পৰা ৰক্ষা পাবলৈ বিশেষ ভাৱে দোৱা কৰিব। আল্লাহ তা'লা দুষ্টৰ হাত চুটি কৰক আৰু সিহঁতৰ গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰক। লগতে জগতৰ ৰাজনৈতিক পৰিস্থিতি আৰু পেলেষ্টাইনৰ মুছলমান সকলৰ বাবে দোৱা কৰিব। আল্লাহ তা'লা তেওঁলোকক অত্যাচাৰীৰ হাতৰ পৰা ৰক্ষা কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ.

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598, 9707110844**